# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

রাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্ত পত্ৰ প্ৰদান কৰা হ'ব। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি বিয়লি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰৱক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যৰ পাঁচটা বিৰোধী দলে ঐক্যবদ্ধ হৈ কাম কৰিবলৈ একমত প্ৰকাশ কৰিছে। কালি দিছপুৰৰ অসম বিধানসভাৰ কংগ্ৰেছ বিধায়িনী কক্ষত অনুষ্ঠিত এখন বৈঠকত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত বিজেপি দলক প্ৰত্যাহ্বান জনোৱাৰ বাবে ঐক্যবদ্ধ বিৰোধী মঞ্চ গঠনৰ সম্ভাৱনীয়তা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। এই সভাত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জিতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলৰ সভাপতি দেৱব্ৰত শইকীয়া, সাংসদ ৰকিবুল হুছেইন আৰু প্ৰদ্যুৎ বৰদলৈয়ে অংশগ্ৰহণ কৰে। ৰাইজৰ দলৰ হৈ বিধায়ক অখিল গগৈ, চি পি আই এমৰ হৈ বিধায়ক মনোৰঞ্জন তালুকদাৰ, আঞ্চলিক গণ মৰ্চাৰ হৈ সাংসদ অজিত কুমাৰ ভূঞা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, চি পি আই এম এলৰ নেতা বিবেক দাসকে ধৰি বিৰোধী দলৰ ভালেকেইগৰাকীয়ে নেতাই অংশগ্ৰহণ কৰে। লুৰীণজ্যোতি গগৈয়ে বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ বিৰোধী শক্তি একত্ৰিত হোৱাৰ ক্ষেত্ৰত এই বৈঠক যথেষ্ট ইতিবাচক বুলি মন্তব্য কৰি সংবাদমাধ্যমৰ আগত এইদৰে কয়।

**বাইট (লুৰীণজ্যোতি গগৈ)**

০০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা নিলম্বিত চক্ৰ বিষয়া নুপুৰ বৰাৰ বিৰুদ্ধে কালি বিশেষ ন্যায়াধীশৰ আদালতত অভিযোগনামা দাখিল কৰে। গ্ৰেপ্তাৰৰ ৫৮ দিনৰ পাছত তদাৰকী কোষে নিলম্বিত বিষয়াগৰাকীৰ বিৰুদ্ধে এহেজাৰ ২৫৪ পৃষ্ঠাৰ অভিযোগনামা দাখিল কৰিছে। অভিযোগনামা তদাৰকী কোষে সন্নিবিষ্ট কৰা তথ্য অনুসৰি নিজৰ বৈধ আয়ৰ উৎসৰ তুলনাত অভিযুক্ত বৰাই ৪৫৮ দশমিক ৬ - ৪ শতাংশ অধিক সম্পত্তি অৰ্জন কৰিছিল। উল্লেখযোগ্য যে কালি বিশেষ ন্যায়াধীশৰ আদালতে অভিযুক্ত বিষয়াগৰাকীৰ জামিন মঞ্জুৰ কৰিছিল।

০০০০০০

মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত ৩৭২ বছৰীয়া পৰম্পৰা অটুট ৰাখি কালিৰে পৰা পাল-নাম মহোৎসৱৰ আয়োজন কৰা হৈছে। মাজুলীৰ এই অন্যতম আধ্যাত্মিক আৰু সাংস্কৃতিক উৎসৱ উপলক্ষে অগণন ভকত-বৈষ্ণৱৰ আগমন হৈছে। প্ৰতিবছৰে কাতি মাহৰ শেষৰ পাঁচটা দিনত উদযাপন কৰা এই পালনামলৈ দেশৰ লগতে বিদেশৰো ভক্তৰ আগমন হয়। সত্ৰৰ ভকত-বৈষ্ণৱসকলে  নাম-ভাগৱত প্ৰতিষ্ঠা কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চাৰিওহাটীৰ ভকতসকলে দৈনিক পাল পাতি নাম লোৱাৰ লগতে দিহা নাম, নটুৱা আদি পৰিৱেশন কৰি মূল নামঘৰত ভকত বৈষ্ণৱসকলে পাল পাতি নাম পৰিৱেশন কৰে। নাম-প্ৰসংগৰ পাছতে পশ্চিমহাটী আৰু পূবহাটীৰ বৈষ্ণৱসকলে নাম ডাকে।

oooooo

শিৱসাগৰ আৰক্ষীয়ে কালি অভিযান চলাই ৰাজপথত দীৰ্ঘদিন ধৰি ডকাইতি কৰি অহা এটা দলৰ কেইবাজনো সদস্যক কালি গ্ৰেপ্তাৰ কৰে। এই লোককেইজনে শিৱসাগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ডকাইতি কৰি আহিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ৫ জনীয়া যুৱকৰ এটা দলে শিৱসাগৰ বাইপাছত দূৰণিবটীয়া যাত্ৰীবাহী বাহনৰ পৰা নিশা ভাবুকি দেখুৱাই ধন আদায় কৰিছিল। আৰক্ষীয়ে এই খবৰ লাভ কৰি কালি দলটোক আটক কৰে। আৰক্ষীয়ে ইতিমধ্যে ধন দাবীৰ গোচৰ ৰুজু কৰি যুৱককেইজনক গ্ৰেপ্তাৰ কৰিছে। যুৱক কেইজনৰ পৰা কেইবাখনো মটৰ চাইকেল জব্দ কৰা হৈছে। গ্ৰেপ্তাৰ কৰা যুৱককেইজন যজ্ঞদীপ ভূঞা, মনদীপ গগৈ, সাৰংগ গগৈ, মানসজ্যোতি হাজৰিকা আৰু দেৱব্ৰত গগৈ বুলি চিনাক্ত কৰা হৈছে।

oooooo

তিনিচুকীয়া জিলাৰ মাকুম উন্নয়ন খণ্ডৰ গোবিন্দপুৰ গাঁৱত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন ফ্লুৰ সংক্ৰমণ ধৰা পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে মাকুম উন্নয়ন খণ্ড, ইটাখুলি উন্নয়ন খণ্ড, মাকুম আৰু তিনিচুকীয়া পৌৰ সভাৰ অধীনৰ এলেকাত পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত গাহৰিৰ ক্ৰয়-বিক্ৰয় বা গাহৰিৰ খাদ্যকে ধৰি অন্যান্য সামগ্ৰীৰ সৰবৰাহৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে।

oooooo

সমাপ্ত